# প্রবন্ধ-সুবাস

(ভাষা-সাহিত্য-সংস্কৃতিমূলক দ্বিভাষিক প্রবন্ধ সংকলন)

সম্পাদনা

**সুলেখা দাস**

[illegible]ANDHA SUBAS : A collection of selected articles, edited by Sulekha Das and printed by Gigabytes Press & Publication, Nagaon, Assam.

First Edition : December, 2019

ISBN 978-93-85310-71-3

© ঃ সম্পাদক

অক্ষৰ বিন্যাস ঃ
ৰফি-ৰাজু

অঙ্গসজ্জা ঃ
নৰিমা খানম (পিংকী)

বেটুপাত ঃ
বুবু শইকীয়া

অৰিহণা ঃ
৩০০/- (তিনিশ) টকা মাত্ৰ

মুদ্ৰণ ঃ

GIGABYTES

গিগাবাইটছ প্ৰেছ এণ্ড পাব্লিকেশ্যন
মিলনপুৰ, নগাঁও (অসম)
ফোন-৯৪৩৫০৬১৩৩২

# ঃ সূচীপত্ৰ ঃ

➤ শঙ্কৰদেৱৰ দৃষ্টি আৰু দৰ্শন/ড° নগেন শইকীয়া/৭
➤ কীৰ্ত্তন-ঘোষা ঃ এক অনন্য ৰচনা/ড° দয়ানন্দ পাঠক/১৫
➤ শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাতাত্ত্বিক বিশ্লেষণ/জীৱকান্ত নাথ/২৪
➤ অসমীয়া সমাজ আৰু ঘৰুৱা জীৱনত নাম-ঘোষাৰ প্ৰভাৱ/
নাৰায়ণ শইকীয়া /৩৫
➤ য়োঝেন ইউনেস্কো আৰু বসন্ত শইকীয়াৰ উদ্ভট নাটক ঃ এটি অধ্যয়ন/
ড° নিশিগন্ধা তালুকদাৰ/ ৪৪
➤ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অপূৰ্ব আৱিষ্কাৰ সতী ৰাধিকা/
অচ্যুত কুমাৰ দাস/৫৯
➤ সত্ৰীয়া নৃত্য ব্যাকৰণৰ আধাৰ ঃ মাটি আখৰা আৰু সুস্বাস্থ্যৰ মাপকাঠি/
জ্যোতিৰেখা কেওঁট/৬৪
➤ বিশ্বায়ন আৰু আঞ্চলিক ভাষাৰ ওপৰত ইয়াৰ প্ৰভাৱ/
প্ৰণৱ কুমাৰ বৰুৱা/৭৫
➤ অস্পৃশ্যতা নিবাৰণত শঙ্কৰদেৱৰ ভূমিকা/সুলেখা দাস/৭৯
➤ অসমীয়া উপন্যাসত নাৰীবাদী চিন্তা/পল্লৱী আৰক্ষৰা/৮৪
➤ কীৰ্তন-ঘোষাৰ পাঠ আৰু নাম প্ৰসঙ্গৰ কীৰ্তনত বাদ্যযন্ত্ৰৰ ব্যৱহাৰ/
বিশ্বদীপা দাস/৮৯
➤ ভাৰতীয় ৰামায়ণী সাহিত্যৰ আঞ্চলিক ৰূপ কাৰ্বি ৰামায়ণ 'ছাবিন আলুন' ঃ
এক সমীক্ষাত্মক অধ্যয়ন/কাবেৰী পাটৰ/৯৫
➤ কাতি বিহু আৰু নেপালী সম্প্ৰদায়ৰ হৰিশয়নী-হৰিবোধনী ব্ৰত
ড° পূবালী চহৰীয়া/১০১
➤ টলষ্টয়ৰ "যুদ্ধ আৰু শান্তি" উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ ঃ এক অধ্যয়ন
বিশ্বজিৎ নাথ/১০৭
➤ মামণি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল' উপন্যাসৰ চৰিত্ৰ ঃ
এক বিশ্লেষণাত্মক অধ্যয়ন/কণিমা পাঠক/১২০
➤ ভবানন্দ দত্তৰ কাব্য পৰিক্ৰমা ঃ এক অধ্যয়ন/লক্ষ্য জ্যোতি দাস/১২৮

# কীৰ্তন-ঘোষাৰ পাঠ আৰু নাম প্ৰসঙ্গৰ কীৰ্তনত বাদ্যযন্ত্ৰৰ ব্যৱহাৰ

বিশ্বদীপা দাস

অসমৰ ভক্তি সঙ্গীতৰ পৰম্পৰাত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শঙ্কৰদেৱে দুই শ্ৰেণীৰ সাংগীতিক বিভাগৰ সৃষ্টি কৰিলে। এটি বিভাগ হ'ল বৰগীত, ভটিমা আৰু আনটি নামপ্ৰসঙ্গমূলক গীতি-সাহিত্য। নামপ্ৰসঙ্গমূলক ভক্তি সংগীত বুলিলে সাংগীতিক পৰিৱেশনযুক্ত কীৰ্তন ঘোষা, গুণমালা আৰু মাধৱদেৱৰ নামঘোষাৰ কথা প্ৰণিধানযোগ্য.

অসমৰ নৱবৈষ্ণৱ ভক্তি আন্দোনক সজীৱ আৰু প্ৰাণৱন্ত কৰি তোলাৰ ক্ষেত্ৰত ভক্তি সংগীত সমূহৰ গুৰুত্ব অপৰিসীম। বিশিষ্ট সংযমশীল সুৰ সংযোজনা, গভীৰ তথা পৱিত্ৰ বিষয়বস্তুৰে ব্ৰজাৱলী ভাষাত শঙ্কৰদেৱে এক বিশেষ শ্ৰেণীৰ ধ্ৰুপদী ভক্তি সঙ্গীতৰ ৰচনা কৰিলে; এনে সঙ্গীতকেই ভাৱৰ গাৰ্ম্ভীযলৈ লক্ষ্য ৰাখি বৰগীত আখ্যা দিয়া হয়। বাণীকান্ত কাকতিয়ে বৰগীতক Noble Numbers আখ্যায়িত কৰিছে। মাধৱদেৱেও পাছলৈ এনে ভক্তি সঙ্গীতৰ ৰচনা কৰিছিল।

*বিষয়-বস্তু, উদ্দেশ্য আৰু উপলক্ষ্য অনুসৰি এই গীতখিনিত নৃত্য-গীত-কলা- বিশাৰদ শ্ৰীমন্ত শঙ্কৰ আৰু মাধৱে ৰাগৰ সংযোজনা কৰি দি গৈছে। ক'ব-পাৰি বৰগীত অসমৰ ক্লাছিকেল বা ধ্ৰুপদী সঙ্গীত।*

বৰগীত চৈধ্য প্ৰসঙ্গৰ পৰিক্ৰমাত গোৱা হয়। আকৌ শঙ্কৰ-মাধৱৰ **কীৰ্তন-ঘোষা** আৰু **নামঘোষা** পুথি-দুখনি, নামপ্ৰসঙ্গমূলক অৰ্থাৎ সমূহীয়া ভাৱে গোৱাৰ উপযোগীকৈ ৰচনা কৰা প্ৰাৰ্থনা সঙ্গীতমূলক পুথি। মহেশ্বৰ নেওগে **কীৰ্তন-ঘোষা**ৰ ভাষাৰ কবিত্ব গুণৰ ওপৰত মন্তব্য প্ৰকাশ কৰিছে।

*কীৰ্তনৰ ভাষাৰ কবিত্বময় সৌন্দৰ্য, ক্ষিপ্ৰতা আৰু দৃঢ়তা, বৰ্ণনাৰ সৌন্দৰ্য*